৩ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত

# অসম আদিত্য

১১ ■ ১৯ শাওণ, ১৯৪৮ শক ■ বুধবাৰ, ৫ আগষ্ট, ২০২৬ ■ Asom Aditya, Dibrugarh, Wednesday, August 5, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা

## কানৈ কলেজৰ উত্তৰণৰ বাবে ৫ লাখ অনুদান ডাঃ অঞ্জলি দত্তৰ



**ষ্টাফ ৰিপৰ্টাৰ, ৪ আগষ্ট ঃ** সমাজ আৰু শিক্ষাৰ প্ৰতি দায়বদ্ধতাৰ এক উজ্জ্বল নিদৰ্শন স্থাপন কৰি ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ প্ৰাক্তন ছাত্ৰী ডাঃ অঞ্জলি দত্তই মহাবিদ্যালয়খনৰ উন্নয়নৰ বাবে পাঁচ লাখ টকাৰ আৰ্থিক অনুদান আগবঢ়াই এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে। নিজৰ শিক্ষানুষ্ঠানৰ প্ৰতি অকৃত্ৰিম ভালপোৱা, কৃতজ্ঞতা আৰু সামাজিক দায়িত্ববোধৰ পৰিচয় বহন কৰা এই অনুদানে মহাবিদ্যালয়খনৰ ইতিহাসত এক স্মৰণীয় অধ্যায় সংযোজন কৰিলে। উল্লেখ্য যে, ডাঃ অঞ্জলি দত্ত হৈছে মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ প্ৰথমজন সম্পাদক, বিশিষ্ট শিক্ষানুৰাগী ব্যক্তি অশ্বিনী চৰণ চৌধুৰীৰ ভতিজী। সমাজৰ শিক্ষা, সমাজকল্যাণৰ হকে কাম কৰি ইয়াৰ ঐতিহ্যক সাৰ্থকভাৱে আগুৱাই নিছে ডাঃ অঞ্জলি দত্তই। নিজৰ শিক্ষাজীৱনৰ স্মৃতিবিজড়িত এই প্ৰতিষ্ঠানৰ উন্নয়নৰ স্বাৰ্থত আগবঢ়োৱা এই মহানুভৱতাই মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিজন সদস্যই গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰিছে। মনকৰিবলগীয়া যে, বৰ্তমান ৮৮ বছৰীয়া ডাঃ অঞ্জলি দত্ত অসমৰ চিকিৎসা জগতৰ সুপৰিচিত এগৰাকী ব্যক্তি। অসম চিকিৎসা মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক প্ৰয়াত ডাঃ মুনিন্দ্ৰ চন্দ্ৰ দত্তৰ সহধৰ্মীনি ডাঃ অঞ্জলি দত্তই অসম চিকিৎসা মহাবিদ্যালয়ৰ পেথলজি বিভাগৰ অধ্যাপক হিচাপে সুদীৰ্ঘকাল নিষ্ঠাৰে কৰ্মনিৰ্বাহ কৰাৰ পাছত অৱসৰ গ্ৰহণ কৰে। চিকিৎসা, শিক্ষা আৰু সমাজসেৱাৰ ক্ষেত্ৰত পৰিয়ালটোৰ দীঘলীয়া অৱদান অসমৰ বৌদ্ধিক সমাজত বিশেষভাৱে সমাদৃত। দত্ত পৰিয়ালৰ পৰৱৰ্তী প্ৰজন্ময়ো একেই উৎকৰ্ষ আৰু সেৱাৰ আদৰ্শ বহন কৰি আহিছে। ডাঃ অঞ্জলি দত্তৰ জ্যেষ্ঠ পুত্ৰ প্ৰাৰ্থপ্ৰতীম দত্তই অইল ইণ্ডিয়া লিমিটেডৰ কাৰ্যবাহী সঞ্চালক হিচাপে সফলতাৰে দায়িত্ব পালন কৰি অৱসৰ গ্ৰহণ কৰিছে। তেখেতৰ কন্যা ডাঃ বৰ্ণালী দত্ত এগৰাকী বিশিষ্ট চৰ্মৰোগ বিশেষজ্ঞ আৰু পুত্ৰ ডাঃ অংশুমান দত্ত এগৰাকী খ্যাতনামা অৰ্থোপেডিকছ বিশেষজ্ঞ চিকিৎসক। এইদৰে শিক্ষা, চিকিৎসা, উদ্যোগ আৰু জনসেৱাৰ ক্ষেত্ৰত দত্ত পৰিয়ালৰ উল্লেখযোগ্য অৱদানে সমাজত এক সন্মানজনক স্থান দখল কৰি আছে। আজি মহাবিদ্যালয়ৰ অধ্যক্ষৰ সভাকক্ষত ডাঃ অঞ্জলি দত্তৰ জ্যেষ্ঠ পুত্ৰ অইল ইণ্ডিয়া লিমিটেডৰ অৱসৰপ্ৰাপ্ত কাৰ্যবাহী সঞ্চালক প্ৰাৰ্থপ্ৰতীম দত্তই মাতৃ ডাঃ অঞ্জলি দত্তৰ হৈ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াৰ হাতত আনুষ্ঠানিকভাৱে পাঁচ লাখ টকাৰ এখন চেক্ অৰ্পণ কৰে। মহাবিদ্যালয়খনলৈ আগবঢ়োৱা এই অনুদান গ্ৰহণ কৰি অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ডাঃ অঞ্জলি দত্ত আৰু তেখেতৰ পৰিয়াললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে, ৩১ জুলাইত ডাঃ অঞ্জলি দত্তই অধ্যক্ষ ড০ শশীকান্ত শইকীয়াৰ নেতৃত্বত মহাবিদ্যালয়খন উত্তৰণত আমোল পৰিৱৰ্তন হোৱাৰ বাবে প্ৰাক্তন ছাত্ৰী হিচাপে ভূঁয়সী প্ৰশংসা কৰাৰ লগতে সন্তুষ্টি প্ৰকাশ কৰি গৈছিল। অধ্যক্ষগৰাকীয়ে ধনৰ চেক্ গ্ৰহণ কৰি কয় যে, প্ৰাক্তন শিক্ষাৰ্থীগৰাকীৰ স'তে ঐতিহ্যপূৰ্ণ শিক্ষানুষ্ঠানখনৰ এই আত্মিক সম্পৰ্ক কেৱল আৰ্থিক সহায়ৰ মাজতে সীমাবদ্ধ নহয়, ই এক গভীৰ আৱেগ, মূল্যবোধ আৰু প্ৰতিষ্ঠানৰ প্ৰতি দায়বদ্ধতাৰ উজ্জ্বল প্ৰকাশ। এনে উদাৰ সহায়ে মহাবিদ্যালয়খনৰ শৈক্ষিক উন্নয়নৰ নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰাৰ লগতে প্ৰাক্তন শিক্ষাৰ্থীসকলক নিজৰ শিক্ষানুষ্ঠানৰ উন্নয়নত অধিক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত কৰিব। এই মহৎ বৰঙণিক আন্তৰিকতাৰে গ্ৰহণ কৰি ডাঃ অঞ্জলি দত্তক অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ডাঃ অঞ্জলি দত্তৰ উত্তৰোত্তৰ কামনা কৰে। তেওঁ কয় যে শিক্ষাৰ উত্তৰণৰ ক্ষেত্ৰত গ্ৰহণ কৰা এনে উদাৰ পদক্ষেপে আগন্তুক দিনত আন আন প্ৰাক্তন শিক্ষাৰ্থীসকলৰ বাবেও এক অনুকৰণীয় দৃষ্টান্ত হিচাপে পৰিগণিত হ'ব। ঐতিহ্য, মূল্যবোধ আৰু কৃতজ্ঞতাৰ সুন্দৰ সমন্বয়েৰে ডাঃ অঞ্জলি দত্তই আগবঢ়োৱা এই পাঁচ লাখ টকাৰ অনুদান বেংকত স্থায়ীভাৱে জমা ৰাখি তাৰ পৰা পোৱা সুতেৰে প্ৰতি বছৰে মহাবিদ্যালয়খনৰ আৰ্থিকভাৱে দূৰ্বল, পিছপৰা, অসহায় ছাত্ৰ-ছাত্ৰীসকলৰ মঙ্গলৰ হকে ব্যৱহাৰ কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে। আজি চেক্ প্ৰদান কৰা প্ৰাৰ্থপ্ৰতীম দত্তৰ স'তে ডিব্ৰুগড়ৰ জ্যেষ্ঠ হিচাপ পৰীক্ষক ৰাজেন্দ্ৰ চন্দ্ৰ শৰ্মাও উপস্থিত থাকে।